**NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-02-2025 **Time :** 1205 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

যোৰহাট জিলাৰ ম'হবন্ধাৰ এৰালতলী পথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি দ্বিতীয় দিনা পুৱা পৰিৱেশ নিকাকৰণ, প্ৰাতঃপ্ৰসংগ আৰু নাম প্ৰসংগৰে কাৰ্যসূচী আৰম্ভ হয়। আজিৰ মুকলি সভাত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰাৰ কথা। কাইলৈ পুৱা সংঘৰ নৱনিৰ্বাচিত পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই পতাকা উত্তোলন কৰিব। এই পতাকা উত্তোলনস্থলীত কাছ আকৃতিৰ বেদী নিৰ্মাণ কৰা হৈছে। বেদীটোৰ চৌপাশত প্ৰতীকিভাৱে ৫৪ খন পতাকা উত্তোলন কৰা হ'ব। তদুপৰি ৯৪ সংখ্যক অধিৱেশনৰ সৈতে সংগতি ৰাখি ৯৪টা খোল আৰু ৯৪ যোৰ তাল লৈ গায়ন-বায়নসকলে মাংগলিক ধ্বনি কৰিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ভাগৱত শোভাযাত্ৰা আৰু ধৰ্মালোচনা সভাৰ লগতে সত্ৰীয়া সংস্কৃতিৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাইলৈ হ'বলগীয়া মুকলি সভাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। এই অধিৱেশনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলেও অংশ লৈছে।

ooooo

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অনুষ্ঠিত গুৱাহাটী এছিয়ান ফিল্ম ফেষ্টিভেলৰ আজি প্ৰথম দিনা ফিলিপিন্‌ছৰ পৰিচালক কাৰ্ল' অবিস্প'ৰ ছবি – এ লেব ষ্টৰীৰ প্ৰদৰ্শনেৰে চলচিত্ৰ মহোৎসৱৰ প্ৰতিযোগিতামূলক শাখাৰ শুভাৰম্ভ কৰা হয়।

তিনিদিনীয়াকৈ আয়োজিত এই চলচ্চিত্ৰ মহোৎসৱত ইৰান, নেপাল, উজবেকিস্তান, কাজাখস্তান, বাংলাদেশ, হংকং, আজাৰবাইজান, ফিলিপিন্‌ছ, শ্ৰীলংকা আৰু তুৰস্কৰ কুৰিখন নিৰ্বাচিত ছবি প্ৰদৰ্শিত হ'ব। ইয়াৰ লগতে মহোৎসৱৰ প্ৰতিযোগিতামূলক শাখাত উত্তৰ-পূৰ্বাঞ্চলৰ ভালেকেইখন ছবি প্ৰদৰ্শিত হ'ব। জ্যোতি চিত্ৰবনৰ ৰুদ্ৰ বৰুৱা প্ৰেক্ষাগৃহৰ লগতে একে পৰিসৰতে থকা আনটো ক্ষুদ্ৰ প্ৰেক্ষাগৃহতো এই মহোৎসৱৰ ছবিসমূহ প্ৰদৰ্শিত হ'ব। পৰহিলৈ সন্ধিয়া চাৰে ৫ বজাত ইম্‌টিয়াজ আলী, ৰীমা দাস আৰু কবিৰ খান পৰিচালিত মাই মেলবৰ্ণ ছবিৰ প্ৰদৰ্শনীৰে এই মহোৎসৱৰ সামৰণি পৰিব।

oooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে দীপৰ বিলৰ সকলো খনন আৰু নিৰ্মাণকাৰ্য বন্ধ ৰখাৰ নিৰ্দেশ দিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই আৰু ন্যায়াধীশ সুমন শ্যামৰ খণ্ড বিচাৰপীঠে জলাশয়টোৰ সীমা সম্পূৰ্ণকৈ নিৰ্ধাৰণ নোহোৱালৈকে অঞ্চলটোত সকলো ধৰণৰ খনন আৰু নিৰ্মাণ কাৰ্য বন্ধ ৰখাৰ নিৰ্দেশ দিছে। ৰামচৰ চাইট হিচাপে পৰিচিত দীপৰ বিলৰ সংৰক্ষণ আৰু সুৰক্ষাৰ স্বাৰ্থত এই গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰা হৈছে।

উল্লেখযোগ্য যে এগৰাকী ব্যক্তিয়ে দাখিল কৰা ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ ভিত্তিতে ন্যায়ালয়ে এই গুৰুত্বপূৰ্ণ নিৰ্দেশ দিয়ে। আবেদনখনত দীপৰ বিলৰ চাৰিসীমা নিৰ্ধাৰণ কৰাৰ লগতে জলাশয়টোৰ সমীপত থকা ডাম্পিং গ্ৰাউণ্ডৰ বিষয়টো উত্থাপন কৰা হৈছে। যোৱা ডিচেম্বৰ মাহত উচ্চতম ন্যায়ালয়ে দেশৰ আৰ্দ্ৰভূমি সংৰক্ষণ সন্দৰ্ভত গ্ৰহণ কৰা এটা শুনানিত ৰামচৰ চাইট হিচাপে পৰিচিত দেশৰ সকলো জলাশয়ৰ সীমা নিৰ্ধাৰণ কৰাৰ নিৰ্দেশ দিছিল।

০০০০০

কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ উদ্যোগত আজি ডিফুৰ চাৰছিং তেৰণ লাংকুং হাবে সুঁৰৰণি টাউন প্ৰেক্ষাগৃহত আজি চাৰছিং তেৰণৰ ১২৭সংখ্যক জন্ম বাৰ্ষিকী পালন কৰা হৈছে। কাৰ্বি আংলং জিলাৰ প্ৰতিষ্ঠাৰ সৈতে জড়িত নেতাগৰাকীৰ জন্ম বাৰ্ষিকী উপলক্ষে গছপুলি ৰোপণ, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা আদিকে ধৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। পুৱাৰ ভাগত কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য ৰিতেশ ইংতি, অভিনেতা ৰাজীৱ ক্ৰকে ধৰি ভালেমান লোকে নেতাগৰাকীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০০

জৈৱ বৈচিত্ৰ্যৰ ভঁৰাল জোনাইৰ **পৱা** বৰ্ষাৰণ্যৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ উদ্দেশ্যে আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে চিয়াং নদীৰ বালিচাপৰিত দ্বিতীয় **পৱা** বৰ্ষাৰণ্য মহোৎসৱৰ আয়োজন কৰা হৈছে। মিছিং স্বায়ত্ব শাসিত পৰিষদৰ পৃষ্ঠপোষকতাত আয়োজিত এই মহোৎসৱৰ সৈতে সংগতি ৰাখি আলোচনাচক্ৰ, নৌকা বিহাৰ, পৰম্পৰাগত খেল-ধেমালি, চিত্ৰাংকণ, তৰ্ক প্ৰতিযোগিতা, জনগোষ্ঠীয় পৰম্পৰাগত খাদ্য-সম্ভাৰ আদি কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০

কামৰূপ জিলাৰ ৰঙিয়া ষ্টেচনত কালি সন্ধিয়া ৰে'ল আৰক্ষীয়ে বুজন পৰিমাণৰ নিচাযুক্ত সামগ্ৰীসহ এজন লোকক আটক কৰে। ধৃত লোকজন বিহাৰৰ বৈশালী জিলাৰ তুলসী চাহানী বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে লোকজনৰ পৰা ১০টা চাবুনৰ বাকচত প্ৰায় ১২ লাখ টকা মূল্যৰ নিচাযুক্ত সামগ্ৰীখিনি জব্দ কৰে।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীৰ মানসিক চাপ আৰু ইয়াৰ সমাধান সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অসম জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী অপৰ্ণা দেৱী আৰু মনোৰোগ বিশেষজ্ঞ ডাঃ মৈথিলী হাজৰিকাই অংশগ্ৰহণ কৰিব। এই আলোচনাৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠান চলি থকা সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

০০০০০০